# মানৱ অধিকাৰ সংৰক্ষণ অধিনিয়ম, ১৯৯৩
## (১৯৯৪ৰ ১০ নং)

[৮ জানুৱাৰী, ১৯৯৪]

মানৱ অধিকাৰসমূহৰ উন্নত সংৰক্ষণৰ বাবে আৰু তাৰ সৈতে সম্পৰ্কিত বা তাৰ আনুষঙ্গিক বিষয়সমূহৰ বাবে এটা ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ, ৰাজ্যসমূহত ৰাজ্যিক মানৱ অধিকাৰ আয়োগসমূহ আৰু মানৱ অধিকাৰ ন্যায়ালয়সমূহ গঠনৰ নিমিত্তে উপবন্ধ কৰিবলৈ এখন অধিনিয়ম।

ভাৰত গণৰাজ্যৰ চতুঃচত্বাৰিংশ বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিত ৰূপে ইয়াক অধিনিয়মিত কৰা হওঁক ঃ-

### অধ্যায় I
### প্ৰাৰম্ভিক

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ।

১।(১) এই অধিনিয়ম মানৱ অধিকাৰ সংৰক্ষণ অধিনিয়ম, ১৯৯৩ বুলি অভিহিত হব।

(২) ইয়াৰ বিস্তাৰ সমগ্ৰ ভাৰততে হৈছে ঃ

পৰন্তু এইখন জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ ক্ষেত্ৰত কেৱল সিমান পৰ্য্যন্ত প্ৰয়োগ হব যিমান পৰ্য্যন্ত ই

সংবিধানৰ সপ্তম অনুসূচীৰ সূচী I বা সূচী III প্ৰগণিত প্ৰবিষ্টিসমূহৰ কোনোটোৰ লগত সম্পৰ্কিত বিষয় সমূহলৈ ই জড়িত হোৱাৰ দৰে সেই ৰাজ্যৰ ক্ষেত্ৰত প্ৰয়োগ হয়।

(৩) এইখন ২৮ চেপ্তেম্বৰ, ১৯৯৩ তাৰিখে বলবৎ হোৱা বুলি গণ্য হব।

পৰিভাষা।

২।(১) এই অধিনিয়মত, প্ৰসঙ্গত অন্যথা অপেক্ষিত ন'হলে,-

(ক) ''সশস্ত্ৰ বাহিনী'' মানে নৌ, সামৰিক আৰু বিমান বাহিনী আৰু ই সংঘৰ আন কোনো সশস্ত্ৰ বাহিনীক অন্তৰ্ভুক্ত কৰে;

(খ) ''অধ্যক্ষ'' মানে আয়োগৰ বা যথাস্থিতি ৰাজ্যিক আয়োগৰ অধ্যক্ষ ;

(গ) ''আয়োগ '' মানে ধাৰা ৩ৰ অধীনত গঠিত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ ;

(ঘ) ''মানৱ অধিকাৰ'' মানে ব্যক্তিৰ সংবিধানৰ দ্বাৰা প্ৰত্যাভূত বা আন্তঃৰাষ্ট্ৰীয় প্ৰসংবিদাৰ অঙ্গীভূত আৰু ভাৰতত ন্যায়ালয়সমূহৰ দ্বাৰা বলবৎ যোগ্য হোৱা মানৱৰ জীৱন,স্বাধীনতা, সমতা আৰু মৰ্যাদা সম্পৰ্কিত অধিকাৰসমূহ ;

(ঙ) ''মানৱ অধিকাৰ ন্যায়ালয়'' মানে ধাৰা ৩০ৰ অধীনত বিনিৰ্দিষ্ট মানৱ অধিকাৰ ন্যায়ালয় ;

১৯৯২ৰ ১৯

[১][(চ) ''আন্তঃৰাষ্ট্ৰীয় প্ৰসংবিদ্যা'' মানে ১৯৬৬ৰ ১৬ ডিচেম্বৰ তাৰিখে ৰাষ্ট্ৰ সংঘৰ সাধাৰণ পৰিষদৰ দ্বাৰা গৃহীত চিভিল আৰু ৰাজনৈতিক অধিকাৰৰ বিষয়ে আন্তঃৰাষ্ট্ৰীয় প্ৰসংবিদা আৰু অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ বিষয়ে আন্তঃৰাষ্ট্ৰীয় প্ৰসংবিদা আৰু কেন্দ্ৰীয় চৰকাৰে অধিসূচনাৰ দ্বাৰা বিনিৰ্দিষ্ট কৰাৰ দৰে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ দ্বাৰা গৃহীত এনে অন্য প্ৰসংবিদা বা অভিসময়;]

[২][(ছ) ''সদস্য'' মানে আয়োগৰ বা যথাস্থিতি, ৰাজ্যিক আয়োগৰ এজন সদস্য ;]

২(জ) ''ৰাষ্ট্ৰীয় সংখ্যালঘু আয়োগ'' মানে ৰাষ্ট্ৰীয় সংখ্যালঘু আয়োগ অধিনিয়ম , ১৯৯২ৰ ধাৰা ৩ৰ অধীনত গঠিত ৰাষ্ট্ৰীয় সংখ্যালঘু আয়োগ ; ।

---

১। মানৱ অধিকাৰ সংৰক্ষণ (সংশোধন) অধিনিয়ম, ২০০৬ (২০০৬ ৰ ৪৩)ৰ ধাৰা ২(ক)ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

২। উক্ত অধিনিয়মৰ, ধাৰা ২(খ)ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

[১][(ঝ) ''ৰাষ্ট্ৰীয় অনুসূচিত জাতি আয়োগ'' মানে সংবিধানৰ অনুচ্ছেদ ৩৩৮ ত নিৰ্দেশিত ৰাষ্ট্ৰীয় অনুসূচিত জাতি আয়োগ ;

(ঝক) ''ৰাষ্ট্ৰীয় অনুসূচিত জনজাতি আয়োগ'' মানে সংবিধানৰ অনুচ্ছেদ ৩৩৮ ক ত নিৰ্দেশিত ৰাষ্ট্ৰৰ অনুসূচিত জনজাতি আয়োগ ;]

(ঞ) ''ৰাষ্ট্ৰীয় মহিলা আয়োগ'' মানে ৰাষ্ট্ৰীয় মহিলা আয়োগ অধিনিয়ম, ১৯৯০ৰ ধাৰা ৩ৰ অধীনত গঠিত ৰাষ্ট্ৰীয় মহিলা আয়োগ ;

(ট) ''অধিসূচনা'' মানে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত অধিসূচনা ;

(ঠ) ''বিহিত'' মানে এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বিহিত ;

১৯৬০ৰ ৪৫ (ড) ''লোকসেৱক'' ৰ ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ২১৩ ত সমনুদেশিত কৰা দৰে অৰ্থ হব ;

(ঢ) ''ৰাজ্যিক আয়োগ'' মানে ধাৰা ২১ৰ অধীনত গঠিত ৰাজ্যিক মানৱ অধিকাৰ আয়োগ ;

(২) এই অধিনিয়মত কোনো বিধিৰ নিৰ্দেশ যিটো জম্মু আৰু কাশ্মীৰ ৰাজ্যত বলবৎ নহয় সেই ৰাজ্যৰ সম্পৰ্কত, সেই ৰাজ্যত বলবৎ, যদি কিবা থাকে, তদনুৰূপ বিধিৰ নিৰ্দেশ ৰূপে অৰ্থ কৰা হব।

## অধ্যায় II
## ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ

ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ গঠন।

৩। (১) কেন্দ্ৰীয় চৰকাৰে এই অধিনিয়মৰ অধীনত, ইয়াৰ ওপৰত প্ৰদত্ত ক্ষমতাসমূহ প্ৰয়োগ কৰিবলৈ আৰু ইয়ালৈ সমনুদেশিত কৰা কৃত্যসমূহ সম্পাদন কৰিবলৈ ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ ৰূপে এটা নিকায় গঠন কৰিব।

(২) আয়োগ নিম্নলিখিতসকলক লৈ গঠিত হব –

(ক) এজন অধ্যক্ষ যি উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হৈ আছে ;

(খ) এজন সদস্য, যি উচ্চতম ন্যায়ালয়ৰ এজন ন্যায়াধীশ হয় বা হৈ আছে ;

(গ) এজন সদস্য যি এখন উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হয় বা হৈ আছে ;

(ঘ) দুজন সদস্য, মানৱ অধিকাৰ সম্পৰ্কিত বিষয়ৰ জ্ঞান বা ব্যৱহাৰিক অভিজ্ঞতা সম্পন্ন ব্যক্তিসকলৰ মাজৰ পৰা নিযুক্ত হব।

(৩) ৰাষ্ট্ৰীয় সংখ্যালঘু আয়োগ, ২[ ৰাষ্ট্ৰীয় অনুসূচিত জাতি আয়োগ, ৰাষ্ট্ৰীয় অনুসূচিত জনজাতি আয়োগ] আৰু ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষ সকল ধাৰা ১২ৰ খণ্ড (খ)ৰ পৰা (ঞ)ত বিনিৰ্দিষ্ট কৃত্যসমূহৰ নিৰ্বহনৰ বাবে আয়োগৰ সদস্যসমূহ বুলি গণ্য হব।

(৪) এজন মহাসচিব থাকিব যি আয়োগৰ মুখ্য কাৰ্যবাহী পদাধিকাৰী হব আৰু আয়োগ বা যথাস্থিতি অধ্যক্ষৰ দ্বাৰা তেওঁলৈ প্ৰত্যাযোজিত কৰাৰ দৰে [৩][ন্যায়িক কৃত্যসমূহ আৰু ধাৰা ৪০ খৰ অধীনত বিনিয়মাৱলী প্ৰণয়ন কৰা ক্ষমতাৰ ব্যতিৰেকে আয়োগৰ এনে ক্ষমতা প্ৰয়োগ আৰুএনে কৃত্যসমূহ নিৰ্বহন কৰিব।]

(৫) আয়োগৰ সদৰ কাৰ্য্যালয় দিল্লীত হব আৰু আয়োগে, কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব্ব অনুমোদন সহ ভাৰতৰ আন স্থানসমূহত কাৰ্য্যালয়সমূহ স্থাপন কৰিব পাৰে।

অধ্যক্ষ আৰু সদস্যসকলৰ নিযুক্তি।

৪। (১) অধ্যক্ষ আৰু [৪][সদস্যসকল] ৰাষ্ট্ৰপতিৰ দ্বাৰা তেওঁৰ হস্তাক্ষৰ আৰু চীল মোহৰাঙ্কিত অধিপত্ৰৰ দ্বাৰা নিযুক্ত হব ঃ

পৰন্তু এই উপ-ধাৰাৰ অধীনত প্ৰত্যেক নিযুক্তি, নিম্নলিখিতসকলক লৈ গঠিত সমিতিৰ চুপাৰিছ লাভ কৰাৰ পিচত কৰা হব –

| | |
|---|---|
| (ক) প্ৰধান মন্ত্ৰী | অধ্যক্ষ ; |
| (খ) লোকসভাৰ অধ্যক্ষ | সদস্য ; |
| (গ) ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়ৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী | সদস্য ; |
| (ঘ) লোকসভাৰ বিৰোধী দলৰ নেতা | সদস্য ; |
| (ঙ) ৰাজ্য সভাৰ বিৰোধী দলৰ নেতা | সদস্য ; |
| (চ) ৰাজ্যসভাৰ উপ সভাপতি | সদস্য ; |

উপৰন্তু ভাৰতৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ ব্যতিৰেকে উচ্চতম ন্যায়ালয়ৰ পদাধিষ্ঠ ন্যায়াধীশ বা উচ্চ ন্যায়ালয়ৰ পদাধিষ্ঠ মুখ্য ন্যায়াধীশ নিযুক্ত নহব।

---

১। মানৱ অধিকাৰ সংৰক্ষণ (সংশোধন) অধিনিয়ম, ২০০৬ (২০০৬ ৰ ৪৩)ৰ ধাৰা ২(গ)ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

২। উক্ত অধিনিয়মৰ ধাৰা ৩(ক)ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

৩। মানৱ অধিকাৰ সংৰক্ষণ (সংশোধন) অধিনিয়ম, ২০০৬ (২০০৬ ৰ ৪৩)ৰ ধাৰা ৩(খ)ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

৪। উক্ত অধিনিয়মৰ ধাৰা ৪(ক)ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

(২) অধ্যক্ষ বা কোনো সদস্যৰ নিযুক্তি [1][উপ-ধাৰা (১)ৰ প্ৰথম পৰন্তুকত নিৰ্দেশিত সমিতিত কোনো সদস্যৰ পদৰিক্তি] কোনো কাৰণতে অবিধিমান্য নহব।

[2][অধ্যক্ষ আৰু সদস্যৰ পদত্যাগ আৰু অপসাৰণ।

৫। (১) অধ্যক্ষ বা কোনো সদস্যই ভাৰতৰ ৰাষ্ট্ৰপতিলৈ সম্বোধন কৰি তেওঁ নিজ হাতে লিখিত সূচনাৰ দ্বাৰা তেওঁৰ পদৰ পৰা পদত্যাগ কৰিব পাৰে।

(২) উপধাৰা (৩)ৰ উপবন্ধসমূহৰ সাপেক্ষে, অধ্যক্ষ বা কোনো সদস্য ,প্ৰমাণিত অসদাচৰণ বা অসামৰ্থ্যৰ আধাৰত ৰাষ্ট্ৰপতিৰ আদেশৰ দ্বাৰা তেওঁৰ পদৰ পৰা কেৱল তাৰ পিছত অপসাৰিত হব, যেতিয়া উচ্চতম ন্যায়ালয়ে ৰাষ্ট্ৰপতিৰ দ্বাৰা ইয়ালৈ নিৰ্দেশ ক্ৰমে,উচ্চতম ন্যায়ালয়ে এই নিমিত্তে বিহিত প্ৰক্ৰিয়া অনুসাৰে অনুষ্ঠিত অনুসন্ধানৰ ভিত্তিত প্ৰতিবেদন দিয়ে যে অধ্যক্ষ বা যথাস্থিতি এনে আন সদস্যক এনে আধাৰত অপসাৰিত কৰা উচিত।

(৩) উপধাৰা (২)ত কোনো কথা থকা স্বত্বেও ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা অধ্যক্ষ বা আন কোনো সদস্যক পদৰ পৰা অপসাৰণ কৰিব পাৰে যদিহে অধ্যক্ষ বা যথাস্থিতি এনে সদস্য–

(ক) দেউলীয়া বুলি ন্যায় নিৰ্ণীত হৈছে; বা

(খ) তেওঁৰ পদাৱধিৰ ভিতৰত তেওঁৰ পদৰ কৰ্ত্তব্যৰ বাহিৰেও সবেতন নিয়োজনত নিযুক্ত থাকে; বা

(গ) মানসিক বা শাৰিৰীক দুৰ্ব্বলতাৰ কাৰণে তেওঁৰ পদত থাকিবলৈ অনুপযুক্ত হয়; বা

(ঘ) বিকৃত মস্তিস্কৰ হয় আৰু কোনো সক্ষম ন্যায়ালয়ৰ দ্বাৰা এনেদৰে ঘোষিত হৈ থাকে; বা

(ঙ) কোনো অপৰাধৰ বাবে দোষী সাব্যস্ত আৰু কাৰাবাসৰে দণ্ডিত হয় যিটোৰ সৈতে ৰাষ্ট্ৰপতিৰ মতে নৈতিক ভ্ৰষ্টতা জড়িত আছে।]

[3][অধ্যক্ষ আৰু সদস্য সকলৰ পদাৱধি।

৬। (১) অধ্যক্ষ ৰূপে নিযুক্ত কোনো ব্যক্তিয়ে তেওঁৰ পদৰ কাৰ্য্যভাৰ গ্ৰহণ কৰা তাৰিখৰ পৰা পাঁচ বছৰ অবধিৰ বাবে তেওঁৰ বয়স সত্তৰ বছৰ নোহোৱালৈকে পদ ধাৰণ কৰিব, যিটোৱেই আগতীয়া হয়।

(২) সদস্য ৰূপে নিযুক্ত কোনো ব্যক্তিয়ে তেওঁৰ পদৰ কাৰ্য্যভাৰ গ্ৰহণ কৰা তাৰিখৰ পৰা পাঁচ বছৰ অৱধিৰ বাবে পদ ধাৰণ কৰিব আৰু পাঁচ বছৰৰ আন এটা অৱধিৰ বাবে পুনৰ নিযুক্তিৰ বাবে যোগ্য হব ঃ

পৰন্তু কোনো সদস্যই তেওঁৰ বয়স সত্তৰ বছৰ হোৱাৰ পিছত পদ ধাৰণ নকৰিব।

(৩) কোনো অধ্যক্ষ বা সদস্যই পদ ধাৰণ কৰিবলৈ এৰিলে ভাৰত চৰকাৰৰ অধীনত বা কোনো ৰাজ্য চৰকাৰৰ অধীনত পুনৰ নিয়োজনৰ বাবে অযোগ্য হব।]

কিছুমান পৰিস্থিতিত সদস্যই অধ্যক্ষ ৰূপে কাৰ্য্য কৰিব বা তেওঁৰ কৃত্যসমূহ নিৰ্বহন কৰিব।

৭। (১) মৃত্যু, পদত্যাগৰ কাৰণে বা অন্যথা অধ্যক্ষ পদত কোনো পদৰিক্তি হোৱাৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতিয়ে, অধ্যক্ষ ৰূপে কাৰ্য্য কৰিবলৈ সদস্যসকলৰ এজনক এনে পদৰিক্তি পূৰণ কৰিবলৈ নতুন অধ্যক্ষৰ নিযুক্তি নিদিয়ালৈকে প্ৰধিকৃত কৰিব পাৰিব।

(২) যেতিয়া অধ্যক্ষ ছুটীত থকা বা অন্যথা অনুপস্থিতিৰ বাবে তেওঁৰ কৃত্যসমূহ নিৰ্বহন কৰিবলৈ অসমৰ্থ হয়, তেতিয়া সদস্যসকলৰ এনে এজনক ৰাষ্ট্ৰপতিয়ে, অধিসূচনাৰ দ্বাৰা এই নিমিত্তে প্ৰাধিকৃত কৰা দৰে অধ্যক্ষৰ কৃত্যসমূহ, অধ্যক্ষই তেওঁৰ কৰ্ত্তব্যত পুনৰ যোগদান নকৰালৈকে নিৰ্বহন কৰিব।

[4][অধ্যক্ষ আৰু সদস্যসকলৰ সেৱাৰ নিবন্ধন আৰু চৰ্ত্তাৱলী।

৮। অধ্যক্ষ আৰু সদস্যসকলক প্ৰদেয় বেতন আৰু ভাত্তাসমূহ আৰু সেৱাৰ নিবন্ধন আৰু চৰ্ত্তাৱলী, বিহিত কৰা মতে এনে হব ঃ

---

১। মানৱ অধিকাৰ সংৰক্ষণ (সংশোধন) অধিনিয়ম, ২০০৬ (২০০৬ ৰ ৪৩)ৰ ধাৰা (৪)ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
২। মানৱ অধিকাৰ সংৰক্ষণ (সংশোধন) অধিনিয়ম, ২০০৬ (২০০৬ ৰ ৪৩)ৰ ধাৰা (৫)ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
৩। মানৱ অধিকাৰ সংৰক্ষণ (সংশোধন) অধিনিয়ম, ২০০৬ (২০০৬ ৰ ৪৩)ৰ ধাৰা (৬)ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
৪। উক্ত অধিনিয়মৰ, ধাৰা ৭ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

## মানৱ অধিকাৰ সংৰক্ষণ অধিনিয়ম, ১৯৯৩

পৰন্তু অধ্যক্ষ আৰু কোনো সদস্যৰ বেতন আৰু ভাত্তাসমূহ নাইবা সেৱাৰ আন নিবন্ধন বা চৰ্ত্তাৱলী কোনোটোৱেই তেওঁৰ নিযুক্তিৰ পিছত তেওঁৰ পক্ষে অসুবিধাজনক ভাৱে পৰিৱৰ্ত্তিত কৰা নহব।]

পদৰিক্তি ইত্যাদিয়ে আয়োগৰ কাৰ্য্যবাহী অবিধিমান্য নকৰিব।

৯। আয়োগৰ কোনো কাৰ্য্য বা কাৰ্য্যবাহীসমূহ আয়োগৰ কোনো পদৰিক্তি বা আয়োগৰ গঠনৰ কোনো ত্ৰুটীৰ বিদ্যমানতাৰ আধাৰত কেৱল প্ৰশ্নাধীন বা অবিধিমান্য নহব।

আয়োগৰ দ্বাৰা প্ৰক্ৰিয়া বিনিয়মিত হব।

১০। (১) অধ্যক্ষই উচিত বুলি ভবা মতে এনে সময় আৰু স্থানত আয়োগ মিলিত হব।

[১][(২) এই অধিনিয়মৰ উপৱন্ধাৱলী আৰু তাৰ অধীনত প্ৰণীত নিয়মাৱলীৰ সাপেক্ষে আয়োগৰ ইয়াৰ নিজা প্ৰক্ৰিয়া বিনিয়মাৱলীৰ দ্বাৰা প্ৰণয়ন কৰিবলৈ ক্ষমতা থাকিব।]

(৩) আয়োগৰ সকলো আদেশ আৰু বিনিশ্চয় মহাসচিব বা এই নিমিত্তে আয়োগৰ অধ্যক্ষৰ দ্বাৰা সম্যকভাৱে প্ৰাধিকৃত আন কোনো পদাধিকাৰীৰ দ্বাৰা অধিপ্ৰমাণিত কৰা হব।

আয়োগৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দ।

১১। (১) কেন্দ্ৰীয় চৰকাৰে নিম্নোক্তসমূহ আয়োগলৈ প্ৰাপ্তিসাধ্য কৰিব –

(ক) ভাৰত চৰকাৰৰ সচিবৰ পদ মৰ্যাদাৰ এজন পদাধিকাৰী যিজন আয়োগৰ মহাসচিব হব ; আৰু

(খ) আয়োগৰ কৃত্যসমূহৰ দক্ষতাপূৰ্ণভাৱে সম্পাদনৰ কাৰণে আৱশ্যক হোৱা দৰে আৰক্ষী মহা-নিৰ্দ্দেশকৰ পদমৰ্য্যদাৰ নিম্ন নোহোৱা কোনো পদাধিকাৰীৰ অধীনত আৰক্ষী আৰু তদন্তকাৰী কৰ্মচাৰীবৃন্দ আৰু এনে আন পদাধিকাৰী আৰু কৰ্মচাৰীবৃন্দ।

(২) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা এই নিমিত্তে প্ৰণীত হোৱা এনে নিয়মাৱলী সাপেক্ষে আয়োগে, ই আৱশ্যক বিবেচনা কৰা মতে এনে আন প্ৰশাসনীয়, কাৰিকৰী আৰু বিজ্ঞান সম্বন্ধীয় কৰ্মচাৰীবৃন্দ নিযুক্ত কৰিব পাৰে।

(৩) উপধাৰা (২)ৰ অধীনত নিযুক্ত পদাধিকাৰীসকল আৰু আন কৰ্মচাৰীবৃন্দৰ বেতন, ভাত্তা আৰু সেৱাৰ চৰ্ত্তাৱলী বিহিত কৰিব পৰা মতে এনে ধৰণৰ হব।

### অধ্যায় – III
### আয়োগৰ কৃত্য আৰু ক্ষমতাসমূহ

আয়োগৰ কৃত্যসমূহ।

১২। আয়োগে নিম্নলিখিত, কৃত্যসমূহৰ সকলো বা যিকোনোটো সম্পাদন কৰিব, অৰ্থাৎঃ–

(ক) স্ব–প্ৰণোদিত ভাৱে বা ভুক্তভোগীয়ে বা তেওঁৰ হকে কোনো ব্যক্তি, ২[বা কোনো ন্যায়ালয়ৰ এটা নিৰ্দেশ বা আদেশৰ ওপৰত] আয়োগৰ ওচৰত দাখিল কৰা কোনো দৰ্খাস্তৰ ভিত্তিত কোনো লোকসেৱকৰ দ্বাৰা–

(i) মানৱ অধিকাৰ লঙ্ঘন বা ইয়াৰ অপপ্ৰেৰণা ; বা

(ii) এনেকুৱা লঙ্ঘনৰ নিবাৰণত অৱহেলাৰ বিষয়ে গোচৰ সম্পৰ্কে অনুসন্ধান কৰা ;

(খ) কোনো ন্যায়ালয়ৰ সমক্ষত লম্বিত থকা মানৱ অধিকাৰ লঙ্ঘনৰ অভিকথন জড়িত থকা এনে কোনো কাৰ্য্যবাহীত এনেকুৱা ন্যায়ালয়ৰ অনুমোদনসহ মধ্যস্থতা কৰা ;

৩[(গ) তৎসময়ত বলবৎ থকা কোনো বিধিত কোনো কথা থকা স্বত্বেও তাৰ বাসিন্দাসকলৰ জীৱন ধাৰণৰ অৱস্থাৰ অধ্যয়নৰ বাবে ৰাজ্য চৰকাৰৰ নিয়ন্ত্ৰণাধীনত থকা কোনো কাৰাগাৰ বা আন প্ৰতিষ্ঠান চাব, য'ত ব্যক্তিসকলক চিকিৎসা, সংস্কাৰ বা ৰক্ষণৰ প্ৰয়োজনাৰ্থে আটক কৰি ৰখা বা সাময়িক ভাৱে থাকিবলৈ দিয়া হয় আৰু ইয়াৰ ওপৰত চৰকাৰলৈ চুপাৰিছ কৰিব ;]

---

১। মানৱ অধিকাৰ সংৰক্ষণ (সংশোধন) অধিনিয়ম ২০০৬(২০০৬ৰ ৪৩)ৰ ধাৰা ৮ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
২। মানৱ অধিকাৰ সংৰক্ষণ (সংশোধন) অধিনিয়ম, ২০০৬(২০০৬ৰ৪৩)ৰ ধাৰা৯(ক)ৰ দ্বাৰা অন্তঃস্থাপিত।
৩। উক্ত অধিনিয়মৰ ধাৰা ৯(খ)ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

(ঘ) মানৱ অধিকাৰৰ সংৰক্ষণৰ বাবে সংবিধান বা তৎসময় বলবৎ থকা কোনো বিধিৰ দ্বাৰা বা তাৰ অধীনত উপবন্ধিত সুৰক্ষা ব্যৱস্থাসমূহ পুনৰীক্ষণ কৰা আৰু সেইবোৰৰ ফলপ্ৰসু কাৰ্য্যকৰীকৰণৰ বাবে চুপাৰিছ কৰা ;

(ঙ) সন্ত্ৰাস বাদৰ কাৰ্য্যকলাপ অন্তৰ্ভুক্ত কৰি যিবিলাক কাৰণত মানৱ অধিকাৰ উপভোগত বাধা সৃষ্টি কৰে সেইবোৰ পুনৰীক্ষণ কৰা আৰু সমুচিত প্ৰতিকাৰমূলক ব্যৱস্থাৰ চুপাৰিছ কৰা ;

(চ) মানৱ অধিকাৰৰ ওপৰত সন্ধিপত্ৰসমূহৰ আৰু আন আন্তঃৰাষ্ট্ৰীয় লেখ্যসমূহৰ অধ্যয়ন কৰা আৰু সেইবোৰৰ ফলপ্ৰসু কাৰ্য্যকৰীকৰণৰ বাবে চুপাৰিছ কৰা ;

(ছ) মানৱ অধিকাৰৰ ক্ষেত্ৰত গৱেষণা হাতত লোৱা আৰু উন্নীত কৰা ;

(জ) সমাজৰ বিভিন্ন সম্প্ৰদায়ৰ মাজত মানৱ অধিকাৰ সম্পৰ্কে শিক্ষা বিস্তাৰ কৰা আৰু গ্ৰন্থ প্ৰকাশন, প্ৰচাৰ মাধ্যম, আলোচনা চক্ৰ আৰু আন প্ৰাপ্তিসাধ্য উপায়ৰ জৰিয়তে সেই সকলো অধিকাৰ সংৰক্ষণৰ বাবে প্ৰাপ্তিসাধ্য সুৰক্ষা ব্যৱস্থাসমূহ সম্পৰ্কে চেতনাৰ উন্নীত কৰা ;

(ঝ) মানৱ অধিকাৰৰ ক্ষেত্ৰত কাৰ্য্যকৰা বেচৰকাৰী সংগঠনসমূহ আৰু প্ৰতিষ্ঠানসমূহৰ প্ৰচেষ্টা উৎসাহিত কৰা;

(ঞ) মানৱ অধিকাৰ উন্নীতকৰণৰ বাবে ই আৱশ্যকীয় বিবেচনা কৰা মতে এনে আন কৃত্যসমূহ।

অনুসন্ধান সম্পৰ্কে ক্ষমতাসমূহ। ১৯০৮ৰ ৫

১৩। (১) আয়োগৰ, এই অধিনিয়মৰ অধীনত গোচৰসমূহৰ সম্পৰ্কে অনুসন্ধান কৰোঁৱা চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ৰ অধীনত বাদ বিচাৰ কৰা সকলো ক্ষমতা থাকিব আৰু বিশেষকৈ নিম্নলিখিত বিষয়সমূহ সম্পৰ্কে, অৰ্থাৎ ঃ–

(ক) সাক্ষীসকলক চমন দিয়া আৰু সাক্ষীসকলৰ উপস্থিতিৰ বলবৎ কৰোৱা আৰু শপত গ্ৰহণত তেওঁলোকক পৰীক্ষা কৰা ;

(খ) কোনো দস্তাৱেজৰ প্ৰকটকৰণ আৰু উপস্থাপন ;

(গ) শপথ পত্ৰৰ ওপৰত সাক্ষ্য গ্ৰহণ ;

(ঘ) কোনো ন্যায়ালয় বা কাৰ্য্যালয়ৰ পৰা কোনো লোক অভিলেখ বা তাৰ প্ৰতিলিপি অধিযাচন কৰা ;

(ঙ) সাক্ষী বা দস্তাৱেজসমূহৰ পৰীক্ষাৰ বাবে কমিছন প্ৰেৰণ কৰা ;

(চ) আন কোনো বিষয় যিটো বিহিত কৰিব পৰা যায়।

১৮৬০ ৰ ৪৫

(২) আয়োগৰ কোনো ব্যক্তিক, সেই ব্যক্তিৰ দ্বাৰা তৎসময় বলবৎ থকা কোনো বিধিৰ অধীনত যিকোনো বিশেষাধিকাৰ দাবীকৃত হব পৰা সাপেক্ষে, তেনেকুৱা কোনো প্ৰশ্ন বা বিষয় যিটো আয়োগৰ ৰায় মতে অনুসন্ধানৰ বিষয়বস্তুৰ পক্ষে উপযোগী বা তাৰ প্ৰাসঙ্গিক হব পাৰে সেই বিষয়ৰ তথ্য সৰবৰাহ অপেক্ষিত কৰিবলৈ ক্ষমতা থাকিব আৰু এইদৰে অপেক্ষিত কোনো ব্যক্তি ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ১৭৬ আৰু ১৭৭ৰ অৰ্থত এনেকুৱা তথ্য সৰবৰাহ কৰিবলৈ বৈধভাৱে বাধ্য থাকিব বুলি গণ্য হব।

১৯৭৪ ৰ ২

(৩) আয়োগ বা আয়োগৰ দ্বাৰা এই নিমিত্তে বিশেষ ভাৱে প্ৰাধিকৃত ৰাজপত্ৰিত পদাধিকাৰীৰ পদ মৰ্য্যাদাৰ নিম্ন নোহোৱা অন্য কোনো পদাধিকাৰী, দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ ধাৰা ১০০ৰ উপবন্ধসমূহৰ সাপেক্ষে যিমান ই প্ৰযোজ্য হয় সিমান পৰ্য্যন্ত তেনে কোনো ভৱন বা স্থানত প্ৰৱেশ কৰিব য'ত অনুসন্ধানৰ বিষয়বস্তু সম্পৰ্কিত কোনো দস্তাৱেজ পোৱা যাব বুলি বিশ্বাস কৰাৰ কাৰণ থাকে আৰু এনে কোনো দস্তাৱেজ অধিগ্ৰহণ কৰি বা ইয়াৰ পৰা উদ্ধৃতি বা প্ৰতিলিপি গ্ৰহণ কৰিব পাৰিব।

১৮৬০ৰ ৪৫

(৪) আয়োগ, এখন চিভিল ন্যায়ালয় বুলি গণ্য হব আৰু যেতিয়া ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ১৭৫, ধাৰা ১৭৮, ধাৰা ১৭৯, ধাৰা ১৮০,বা ধাৰা ২২৮ত যথাবৰ্ণিত কোনো অপৰাধ, আয়োগৰ দৃষ্টি গোচৰত বা ইয়াৰ

১৯৭৪ৰ ২

উপস্থিতিত সংঘটিত হয়, তেতিয়া আয়োগ দণ্ড প্ৰক্ৰিয়া সংহিতাত উপবন্ধিত মতে অপৰাধ গঠন কৰা তথ্যসমূহ আৰু অভিযুক্তৰ বিবৃতিসমূহ অভিলিখিত কৰাৰ পিছত, মোকৰ্দমা বিচাৰ কৰাৰ অধিকাৰিতা থকা দণ্ডাধীশলৈ প্ৰেৰণ কৰিব, আৰু যি দণ্ডাধীশৰ ওচৰত এনে কোনো মোকৰ্দমা প্ৰেৰিত হয়, তেওঁ অভিযুক্তৰ বিৰুদ্ধে গোচৰটোৰ এনেকুৱা শুনানি লবলৈ অগ্ৰসৰ হব, যেনিবা মোকৰ্দমাটো দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ ধাৰা ৩৪৬ৰ অধীনত তেওঁৰ ওচৰত প্ৰেৰণ কৰা হৈছে।

১৮৬০ৰ ৪৫ (৫) আয়োগৰ সমক্ষত প্ৰত্যেক কাৰ্য্যবাহী ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ১৯৩ আৰু ২২৮ৰ অৰ্থত আৰু ধাৰা ১৯৬ৰ প্ৰয়োজনাৰ্থে ন্যায়িক কাৰ্য্যবাহী বুলি গণ্য হব, আৰু আয়োগ, দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ ধাৰা ১৯৫ আৰু অধ্যায় ২৬ৰ সকলো প্ৰয়োজনাৰ্থে চিভিল ন্যায়ালয় বুলি গণ্য হব।

১৯৭৪ৰ ২

[1][(৬) য'ত আয়োগে ইয়াক এনে কৰাটো আৱশ্যক বা সমীচীন বুলি বিবেচনা কৰে এই অধিনিয়মৰ উপবন্ধাৱলীৰ অনুসৰণত নিষ্পত্তিৰ বাবে য'ৰ পৰা গোচৰ উদ্ভৱ হয়, ৰাজ্যৰ ৰাজ্যিক আয়োগলৈ দাখিল কৰা বা স্থগিত থকা কোনো গোচৰ আদেশৰ দ্বাৰা অন্তৰণ কৰিব পাৰে ঃ

পৰন্তু কোনো এনে গোচৰ অন্তৰিত নহব যি পৰ্য্যন্ত সেই একেবোৰ এটা হয় যাৰ সম্বন্ধত যিটো ৰাজ্যিক আয়োগৰ সেই একেবোৰ স্বীকাৰ কৰিবলৈ অধিকাৰিতা থাকে।

(৭) উপধাৰা (৬)ৰ অধীনত অন্তৰিত প্ৰত্যেক গোচৰ ৰাজ্যিক আয়োগৰ দ্বাৰা সংব্যৱহৃত আৰু নিষ্পত্তি হব যেনিবা এইটো ইয়াত প্ৰথমে দাখিল কৰা গোচৰহে আছিল।

তদন্ত

১৪। (১) আয়োগে, অনুসন্ধান সম্পৰ্কিত কোনো তদন্ত পৰিচালনাৰ প্ৰয়োজনাৰ্থে, কেন্দ্ৰীয় চৰকাৰ বা যথাস্থিতি ৰাজ্য চৰকাৰৰ সহমতিসহ কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ কোনো পদাধিকাৰী বা তদন্তকাৰী এজেঞ্চিৰ সেৱাসমূহ উপযোগ কৰিব পাৰিব।

(২) অনুসন্ধান সম্পৰ্কিত কোনো বিষয়ৰ তদন্ত কৰাৰ প্ৰয়োজনাৰ্থে কোনো পদাধিকাৰী বা এজেঞ্চি যাৰ সেৱাসমূহ উপধাৰা (১)ৰ অধীনত উপযোগ কৰা হৈছে, আয়োগৰ নিম্নলিখিত নিৰ্দেশ আৰু নিয়ন্ত্ৰণৰ সাপেক্ষে কৰিব পাৰিব–

(ক) কোনো ব্যক্তিক চমন কৰা আৰু হাজিৰ কৰোৱা আৰু তেওঁক পৰীক্ষা কৰা ;

(খ) কোনো দস্তাবেজৰ প্ৰকটকৰণ আৰু উপস্থাপন অপেক্ষা কৰা ;

(গ) কোনো কাৰ্য্যালয়ৰ পৰা কোনো লোক অভিলেখ বা তাৰ প্ৰতিলিপি অধিযাচন কৰা।

(৩) ধাৰা ১৫ৰ উপবন্ধসমূহ, উপধাৰা (১)ৰ অধীনত সেৱাসমূহ উপযোগ কৰা কোনো পদাধিকাৰী বা এজেঞ্চিৰ সমক্ষত কোনো ব্যক্তিৰ দ্বাৰা দিয়া বিবৃতিৰ সম্বন্ধত, সেইবোৰ আয়োগৰ সমক্ষত সাক্ষ্য দিয়াৰ সময়ত কোনো ব্যক্তিৰ দ্বাৰা দিয়া বিবৃতিৰ নিচিনা প্ৰয়োগ হব।

(৪) কোনো পদাধিকাৰী বা এজেঞ্চি যাৰ সেৱাসমূহ, উপধাৰা (১)ৰ অধীনত উপযোগ কৰা হৈছে, তেওঁ অনুসন্ধান সম্পৰ্কিত কোনো বিষয়ত তদন্ত কৰিব আৰু এই নিমিত্তে আয়োগৰ বিনিৰ্দিষ্ট কৰিব পৰা এনে কালৰ ভিতৰত আয়োগৰ ওচৰত তাৰ ওপৰত এখন প্ৰতিবেদন দাখিল কৰিব।

(৫) আয়োগে, উপধাৰা (৪)ৰ অধীনত ইয়াৰ ওচৰত দাখিল কৰা প্ৰতিবেদন বৰ্ণিত তথ্যৰ আৰু ইয়াত উপনীত হোৱা কোনো বিনিশ্চয় থাকিলে তাৰ শুদ্ধতা সম্পৰ্কে সন্তুষ্ট হব আৰু এই উদ্দেশ্যে আয়োগে ই উপযুক্ত বিবেচনা কৰা মতে এনে অনুসন্ধান কৰিব (যি ব্যক্তি বা ব্যক্তিসকলে তদন্ত পৰিচালনা কৰিছিল বা তদন্ত সহায়তা কৰিছিল তেওঁলোকৰ পৰীক্ষাকে ধৰি )।

আয়োগৰ ওচৰত ব্যক্তিসকলৰ দ্বাৰা দিয়া বিবৃতি।

১৫। আয়োগৰ সমক্ষত সাক্ষ্য দিয়াৰ সময়ত কোনো ব্যক্তিৰ দ্বাৰা দিয়া বিবৃতি এনে বিবৃতিৰ দ্বাৰা মিছা সাক্ষ্য দিয়াৰ বাবে কোনো অভিযোজনৰ ব্যতিৰেকে কোনো চিভিল বা দাণ্ডিক কাৰ্য্যবাহীৰ অধীন নকৰিব বা চিভিল বা দাণ্ডিক কাৰ্য্যবাহী তেওঁৰ বিৰুদ্ধে ব্যৱহৃত নহবঃ

পৰন্তু বিবৃতিটো –

(ক) প্ৰশ্নৰ উত্তৰ দিবলৈ কৰা হৈছে যিটো উত্তৰ দিবলৈ তেওঁক আয়োগৰ দ্বাৰা অপেক্ষিত কৰা হয় ; বা

(খ) অনুসন্ধানৰ বিষয়বস্তুৰ লগত প্ৰাসঙ্গিক হয়।

শুনানিত প্ৰতিকূল ভাৱে প্ৰভাৱিত হোৱাৰ সম্ভাৱনা থকা ব্যক্তিসকল।

১৬। যদি অনুসন্ধানৰ কোনো পৰ্য্যায়ত, আয়োগে –

(ক) কোনো ব্যক্তিৰ আচৰণৰ সম্পৰ্কে অনুসন্ধান কৰা প্ৰয়োজনীয় বিবেচনা কৰে ; বা

(খ) এই ৰায় দিয়ে যে কোনো ব্যক্তিৰ খ্যাতি অনুসন্ধানৰ দ্বাৰা প্ৰতিকূলভাৱে প্ৰভাৱিত হোৱাৰ সম্ভাৱনা আছে, তেন্তে আয়োগে অনুসন্ধানটোত ব্যক্তিজনক শুনানিৰ আৰু তেওঁৰ প্ৰতিৰক্ষাৰ সাক্ষ্য উপস্থাপন কৰিবলৈ যুক্তিযুক্ত সুযোগ দিয়া হব ঃ

পৰন্তু এই ধাৰাৰ কোনো কথাই প্ৰয়োগ নহব য'ত সাক্ষীৰ প্ৰত্যয়ত বিশ্বাসযোগ্যতা সন্দেহ কৰা হয়।

---

১। মানৱ অধিকাৰ সংৰক্ষণ (সংশোধন) অধিনিয়ম ২০০৬(২০০৬ৰ ৪৩)ৰ ধাৰা ১০ৰ দ্বাৰা অন্তঃস্থাপিত।

# মানৱ অধিকাৰ সংৰক্ষণ অধিনিয়ম, ১৯৯৩

## অধ্যায় IV

## প্ৰক্ৰিয়া

গোচৰ সম্পৰ্কে অনুসন্ধান।

১৭। আয়োগে যেতিয়া মানৱ অধিকাৰসমূহৰ লঙ্ঘনৰ গোচৰসমূহৰ ওপৰত অনুসন্ধান কৰি থাকে –

(i) তেতিয়া ইয়াৰ দ্বাৰা বিনিৰ্দিষ্ট কৰা এনে সময়ৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰ বা কোনো ৰাজ্য চৰকাৰ বা তাৰ অধীনস্থ কোনো আন প্ৰাধিকাৰী বা সংগঠনৰ পৰা তথ্য বা প্ৰতিবেদন বিচাৰিব পাৰে ঃ

পৰন্তু

(ক) যদি সংবাদ বা প্ৰতিবেদন আয়োগৰ দ্বাৰা নিৰ্দিষ্ট সময়ৰ ভিতৰত প্ৰাপ্ত নহয়, তেন্তে ই নিজে নিজেই গোচৰৰ ওপৰত অনুসন্ধান কৰিবলৈ অগ্ৰসৰ হ'ব পাৰিব ;

(খ) যদি, কোনো সংবাদ বা প্ৰতিবেদন প্ৰাপ্তিত, আয়োগ সন্তুষ্ট হয় যে অতিৰিক্ত অনুসন্ধান অপেক্ষিত কৰা নহয় বা সংশ্লিষ্ট চৰকাৰ বা প্ৰাধিকাৰীৰ দ্বাৰা অপেক্ষিত কাৰ্য্যব্যৱস্থা আৰম্ভ কৰা হৈছে বা গ্ৰহণ কৰা হৈছে, আয়োগ গোচৰটোত অগ্ৰসৰ নহ'ব আৰু গোচৰীয়াক তদনুসাৰে সূচনা দিব ;

(ii) খণ্ড (i)ত অন্তৰ্বিষ্ট কোনো কথা থকা স্বত্বেও যদি আয়োগে প্ৰয়োজনীয় বিবেচনা কৰে গোচৰৰ প্ৰকৃতিৰ প্ৰতি লক্ষ্য ৰাখি অনুসন্ধান আৰম্ভ কৰিব।

[১] [অনুসন্ধানৰ কালত আৰু পিছত লোৱা পদক্ষেপ।

১৮। আয়োগে এই অধিনিয়মৰ অধীনত হোৱা কোনো অনুসন্ধানৰ কালত বা সম্পূৰ্ণ হোৱাৰ ওপৰত নিম্নলিখিত কোনো পদক্ষেপ লব পাৰে, অৰ্থাৎ ঃ–

(ক) য'ত অনুসন্ধানত মানৱ অধিকাৰ লঙ্ঘন কৰা বা কোনো লোক সেৱাৰ দ্বাৰা মানৱ অধিকাৰ লঙ্ঘন নিবাৰণত অৱহেলাৰ বা সেই বিষয়ে অপপ্ৰেৰণাৰ প্ৰকাশ পায় ই সংশ্লিষ্ট চৰকাৰ বা প্ৰাধিকাৰীলৈ–

(i) আয়োগে আৱশ্যক বিবেচনা কৰাৰ দৰে গোচৰীয়া বা পীড়িত ব্যক্তি বা তেওঁৰ পৰিয়ালৰ সদস্যক ক্ষতিপূৰণ বা হানিৰ আদায় দিবলৈ ;

(ii) আয়োগে সংশ্লিষ্ট ব্যক্তি বা ব্যক্তিসমূহৰ বিৰুদ্ধে উচিত গণ্য কৰা দৰে অভিযোজন বা অন্য যোগ্য ব্যৱস্থাৰ বাবে কাৰ্য্যবাহী আৰম্ভ কৰিবলৈ ;

(iii) ই উচিত বুলি গণ্য কৰা দৰে এনে ওপৰঞ্চি ব্যৱস্থা লবলৈ, চুপাৰিছ কৰিব পাৰে ;

(খ) সেই ন্যায়ালয়ে প্ৰয়োজনীয় বুলি গণ্য কৰা মতে এনে নিৰ্দ্দেশনা, আদেশ বা আজ্ঞালেখসমূহৰ বাবে উচ্চতম ন্যায়ালয় বা সংশ্লিষ্ট উচ্চ ন্যায়ালয়লৈ অভিগমন কৰিব ;

(গ) আয়োগে আৱশ্যক বিবেচনা কৰা মতে পীড়িত ব্যক্তি বা তেওঁৰ পৰিয়ালৰ সদস্যসকলক এনে তৎকালিন অন্তঃকালীন সাহাৰ্য্য মঞ্জুৰীৰ বাবে অনুসন্ধানৰ কোনো অৱস্থাত সংশ্লিষ্ট চৰকাৰ বা প্ৰাধিকাৰীক চুপাৰিছ কৰিব পাৰিব ;

(ঘ) খণ্ড (ঙ)ৰ উপবন্ধসমূহ সাপেক্ষে দৰ্খাস্তকাৰী বা তেওঁৰ প্ৰতিনিধিক অনুসন্ধান প্ৰতিবেদনৰ এটা প্ৰতিলিপিৰ উপবন্ধ কৰিব ;

(ঙ) আয়োগে অনুসন্ধানৰ প্ৰতিবেদনৰ এটা প্ৰতিলিপি, ইয়াৰ চুপাৰিছ সহ একেলগে সংশ্লিষ্ট চৰকাৰ বা প্ৰাধিকাৰীলৈ প্ৰেৰণ কৰিব আৰু সংশ্লিষ্ট চৰকাৰ বা প্ৰাধিকাৰীয়ে এমাহৰ এটা অৱধি বা এনে অতিৰিক্ত সময়ৰ ভিতৰত আয়োগে অনুমতি দিয়া মতে, ইয়াৰ ওপৰত লোৱা বা লবলৈ প্ৰস্তাৱিত কোনো কাৰ্য্য ব্যৱস্থা অন্তৰ্ভুক্ত কৰি সেই প্ৰতিবেদনৰ ওপৰত ইয়াৰ মন্তব্যসমূহ আয়োগৰ ওচৰলৈ প্ৰেৰণ কৰিব ;

---

১। মানৱ অধিকাৰ সংৰক্ষণ (সংশোধন) অধিনিয়ম ২০০৬(২০০৬ৰ ৪৩)ৰ ধাৰা ১১ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

## মানৱ অধিকাৰ সংৰক্ষণ অধিনিয়ম, ১৯৯৩

(চ) আয়োগে ইয়াৰ অনুসন্ধান প্ৰতিবেদন, সংশ্লিষ্ট চৰকাৰ বা প্ৰাধিকাৰীৰ মন্তব্য সহ একেলগে যদি কিবা থাকে, আৰু আয়োগৰ চুপাৰিছৰ ওপৰত সংশ্লিষ্ট চৰকাৰ বা প্ৰাধিকাৰীৰ দ্বাৰা লোৱা বা লবলৈ প্ৰস্তাৱিত কাৰ্য্য ব্যৱস্থাসমূহ প্ৰকাশ কৰিব।]

সশস্ত্ৰ বাহিনীৰ সম্পৰ্কত প্ৰক্ৰিয়া।

১৯। (১) এই অধিনিয়মত কোনো কথা থকা স্বত্বেও সশস্ত্ৰ বাহিনীৰ সদস্যসকলৰ দ্বাৰা মানৱ অধিকাৰ লঙ্ঘনৰ গোচৰসমূহৰ ব্যৱস্থা গ্ৰহণৰ সময়ত আয়োগে নিম্নলিখিত প্ৰক্ৰিয়াসমূহ গ্ৰহণ কৰিব, অৰ্থাৎঃ-

(ক) ই নিজে নিজেই হওঁক বা কোনো দৰ্খাস্ত প্ৰাপ্তিতেই হওঁক কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰতিবেদন বিচাৰিব পাৰে ;

(খ) প্ৰতিবেদন প্ৰাপ্তিৰ পিচত, হয়, গোচৰত অগ্ৰসৰ নহব বা যথাস্থিতি, সেই চৰকাৰলৈ ইয়াৰ চুপাৰিছ সমূহ কৰিব পাৰে।

(২) কেন্দ্ৰীয় চৰকাৰে তিনিমাহ বা আয়োগে অনুমতি দিয়া মতে এনে অতিৰিক্ত কালছোৱাৰ ভিতৰত চুপাৰিছসমূহৰ ওপৰত গৃহীত কাৰ্য্যব্যৱস্থাসমূহৰ বিষয়ে আয়োগক জনাব।

(৩) আয়োগে ইয়াৰ প্ৰতিবেদন, ইয়াৰ সৈতে কেন্দ্ৰীয় চৰকাৰলৈ কৰা ইয়াৰ চুপাৰিছ আৰু সেই চৰকাৰৰ দ্বাৰা এনে চুপাৰিছসমূহৰ ওপৰত গৃহীত কাৰ্য্যব্যৱস্থাসমূহ প্ৰকাশ কৰিব।

(৪) আয়োগে উপধাৰা (৩)ৰ অধীনত প্ৰকাশিত প্ৰতিবেদনৰ এটা প্ৰতিলিপি আবেদনকাৰী বা তেওঁৰ প্ৰতিনিধিক উপবন্ধ কৰিব।

আয়োগৰ বাৰ্ষিক আৰু বিশেষ প্ৰতিবেদনসমূহ।

২০। (১) আয়োগে কেন্দ্ৰীয় চৰকাৰ আৰু সংশ্লিষ্ট ৰাজ্য চৰকাৰলৈ এখন বাৰ্ষিক প্ৰতিবেদন দাখিল কৰিব আৰু যিকোনো সময়তে কোনো বিষয়ৰ ওপৰত বিশেষ প্ৰতিবেদন দাখিল কৰিব পাৰিব যিটো ইয়াৰ ৰায় মতে এনে জৰুৰী বা গুৰুত্বপূৰ্ণ হয় যে ইয়াক বাৰ্ষিক প্ৰতিবেদন দাখিল কৰালৈকে বিলম্বিত কৰা উচিত নহয়।

(২) কেন্দ্ৰীয় চৰকাৰ আৰু যথাস্থিতি ৰাজ্য চৰকাৰে, আয়োগৰ চুপাৰিছসমূহৰ ভিত্তিত লোৱা বা লবলৈ প্ৰস্তাৱিত কাৰ্য্যব্যৱস্থাৰ এখন স্মাৰক লিপি আৰু চুপাৰিছসমূহৰ অগ্ৰহণৰ কাৰণসমূহ, যদি কিবা থাকে, সেই বিলাকৰ লগতে, আয়োগৰ বাৰ্ষিক আৰু বিশেষ প্ৰতিবেদন যথাক্ৰমে সংসদৰ প্ৰত্যেক সদনৰ বা যথাস্থিতি বিধান মণ্ডলৰ সমক্ষত উত্থাপন কৰাব।

## অধ্যায় V

## ৰাজ্যিক মানৱ অধিকাৰ আয়োগসমূহ

ৰাজ্যিক মানৱ অধিকাৰ আয়োগ সমূহৰ গঠন।

২১। (১) কোনো ৰাজ্য চৰকাৰে এই অধ্যায়ৰ অধীনত ৰাজ্যিক আয়োগৰ ওপৰত প্ৰদত্ত ক্ষমতাসমূহ প্ৰয়োগ কৰিবলৈ আৰু ইয়ালৈ সমনুদেশিত কৰা কৃত্যসমূহ সম্পাদন কৰিবলৈ মানৱ অধিকাৰ আয়োগ ৰূপে (ৰাজ্যৰ) এটা নিকায় গঠন কৰিব।

[১][(২) ৰাজ্যিক আয়োগ, ৰাজ্য চৰকাৰে অধিসূচনাত বিনিৰ্দিষ্ট কৰা দৰে এনে তাৰিখৰ পৰা প্ৰভাৱী হোৱাকৈ, গঠিত হব –

(ক) এজন অধ্যক্ষ, যিজন কোনো উচ্চ ন্যায়ালয়ৰ এজন মুখ্য ন্যায়াধীশ হৈ আছে ;

(খ) এজন সদস্য, যি জিলা ন্যায়াধীশ ৰূপে নূন্যতম সাত বছৰৰ অভিজ্ঞতা থকা কোনো ৰাজ্যৰ কোনো উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ বা জিলা ন্যায়াধীশ হয় বা হৈ আছে ;

(গ) এজন সদস্য, মানৱ অধিকাৰ সম্পৰ্কিত বিষয়ত জ্ঞান বা ব্যৱহাৰিক অভিজ্ঞতা সম্পন্ন ব্যক্তি সকলৰ মাজৰ পৰা নিযুক্ত হব।]

(৩) এজন সচিব থাকিব যি ৰাজ্যিক আয়োগৰ মুখ্য কাৰ্য্যবাহী পদাধিকাৰী হব আৰু ৰাজ্যিক আয়োগে প্ৰত্যাযোজিত কৰা মতে তেওঁ এনে ক্ষমতাসমূহৰ প্ৰয়োগ আৰু এনে কৃত্যসমূহৰ নিৰ্বহন কৰিব।

(৪) ৰাজ্যিক আয়োগৰ সদৰ কাৰ্য্যালয় ৰাজ্য চৰকাৰে অধিসূচনাৰ দ্বাৰা বিনিৰ্দিষ্ট কৰা হিচাবে এনে স্থানত হব।

---

১। মানৱ অধিকাৰ সংৰক্ষণ (সংশোধন) অধিনিয়ম, ২০০৬ (২০০৬ৰ ৪৩)ৰ ধাৰা ১২(ক) ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

(৫) ৰাজ্যিক আয়োগে সংবিধানৰ সপ্তম অনুসূচীৰ সূচী II আৰু সূচী III ত প্ৰগনিত প্ৰবিষ্টিসমূহৰ কোনোটোৰ সম্বন্ধীয় বিষয়সমূহৰ সম্পৰ্কে মাত্ৰ মানৱ অধিকাৰ লঙ্ঘনৰ অনুসন্ধান কৰিব পাৰিব ঃ

পৰন্তু যদি তৎসময় বলবৎ কোনো বিধিৰ অধীনত সম্যক ৰূপে গঠিত কোনো আয়োগ বা আন কোনো আয়োগৰ দ্বাৰা এনে কোনো বিষয়ত ইতিমধ্যে অনুসন্ধান কৰা হৈছে তেতিয়া ৰাজ্যিক আয়োগে উক্ত বিষয়ৰ ওপৰত অনুসন্ধান নকৰিব ঃ

উপৰন্তু জম্মু আৰু কাশ্মীৰ মানৱ অধিকাৰ আয়োগৰ সম্বন্ধত এই উপধাৰা এনেদৰে প্ৰভাৱী হ'ব যেনিবা ''সংবিধানৰ সপ্তম অনুসূচীৰ সূচী II আৰু সূচী III''ৰ শব্দ আৰু সংখ্যাৰ বাবে, জম্মু আৰু কাশ্মীৰ ৰাজ্যত প্ৰয়োগ যোগ্য হোৱা দৰে ''সংবিধানৰ সপ্তম অনুসূচীৰ সূচী III আৰু যি বিষয়ৰ সম্বন্ধত সেই ৰাজ্যৰ বিধান মণ্ডলৰ বিধি প্ৰণয়নৰ ক্ষমতা আছে'' শব্দ আৰু সংখ্যাসমূহ প্ৰতিষ্ঠাপিত কৰা হৈছে।

[১][(৬) দুখন বা অধিক ৰাজ্য চৰকাৰে কোনো ৰাজ্যিক আয়োগৰ অধ্যক্ষ বা সদস্যৰ সন্মতি সহ, একে সময়তে অন্য ৰাজ্যিক আয়োগৰ এনে অধ্যক্ষ বা যথাস্থিতি এনে সদস্য নিযুক্তি দিব পাৰে, যদি এনে নিযুক্তি লৈ এনে অধ্যক্ষ বা সদস্যৰ সন্মতি থাকে ঃ

পৰন্তু এই উপধাৰাৰ অধীনত দিয়া প্ৰত্যেক নিযুক্তি এখন ৰাজ্যৰ সম্পৰ্কত ধাৰা ২২ৰ উপধাৰা (১)ত নিৰ্দেশিত সমিতিৰ চুপাৰিছ লাভ কৰাৰ পাচত প্ৰণয়ন কৰা হ'ব যাৰ বাবে এজন সাধাৰণ অধ্যক্ষ বা সদস্য বা যথাস্থিতি উভয়কে নিযুক্তি দিবলগীয়া হয়।]

আয়োগৰ অধ্যক্ষ আৰু ২[সদস্য]ৰ নিযুক্তি।

২২। (১) অধ্যক্ষ আৰু ২[ সদস্যসমূহ ]ক ৰাষ্ট্ৰপতিৰ দ্বাৰা তেওঁৰ হস্তাক্ষৰ আৰু চীল মোহৰাঙ্কিত অধিপত্ৰৰ দ্বাৰা নিযুক্ত কৰা হ'ব ঃ

পৰন্তু এই উপধাৰাৰ অধীনত প্ৰত্যেক নিযুক্তি, নিম্নলিখিতসকলৰে গঠিত সমিতিৰ চুপাৰিছ পোৱাৰ পিছত দিব লাগিব –

| | |
|---|---|
| (ক) মুখ্য মন্ত্ৰী | অধ্যক্ষ ; |
| (খ) বিধান সভাৰ অধ্যক্ষ | সদস্য ; |
| (গ) সেই ৰাজ্যৰ গৃহ বিভাগৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী | সদস্য ; |
| (ঘ) বিধান সভাৰ বিৰোধী দলৰ নেতা | সদস্য ঃ |

উপৰন্তু য'ত কোনো ৰাজ্যত বিধান পৰিষদ আছে পৰিষদৰ অধ্যক্ষ আৰু সেই পৰিষদৰ বিৰোধী দলৰ নেতা সমিতিৰ সদস্য হ'ব ঃ

অধিকন্তু উচ্চ ন্যায়ালয়ৰ পদাধিষ্ঠ ন্যায়াধীশ বা পদাধিষ্ঠ জিলা ন্যায়াধীশ সংশ্লিষ্ট ৰাজ্যৰ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ ব্যতিৰেকে নিযুক্ত নহ'ব।

(২) ৰাজ্যিক আয়োগৰ এজন অধ্যক্ষ বা কোনো সদস্যৰ নিযুক্তি ৩[ উপধাৰা (১)ত নিৰ্দেশিত সমিতিত কোনো সদস্যৰ কোনো পদৰিক্তি]ৰ আধাৰতে মাথোন অবিধিমান্য নহ'ব।

৪[ৰাজ্যিক আয়োগৰ অধ্যক্ষ বা কোনো সদস্যৰ পদত্যাগ আৰু অপসাৰণ।]

২৩। ৫[(১) ৰাজ্যিক আয়োগৰ অধ্যক্ষ বা কোনো সদস্যই, ৰাজ্যপালক সম্বোধন কৰি তেওঁ নিজ হাতে লিখিত সূচনাৰ দ্বাৰা তেওঁ পদৰ পৰা পদত্যাগ কৰিব পাৰে।

(১ক) উপধাৰা (২)ৰ উপবন্ধসমূহৰ সাপেক্ষে, ৰাজ্যিক আয়োগৰ অধ্যক্ষ বা কোনো সদস্য, প্ৰমাণিত অসদাচৰণ বা অসামৰ্থ্যৰ আধাৰত ৰাষ্ট্ৰপতিৰ আদেশৰ দ্বাৰা তেওঁৰ পদৰ পৰা কেৱল তাৰ পিছত অপসাৰিত হ'ব, যেতিয়া উচ্চতম ন্যায়ালয়ে ৰাষ্ট্ৰপতিৰ দ্বাৰা ইয়ালৈ দিয়া নিৰ্দেশ ক্ৰমে, উচ্চতম ন্যায়ালয়ে এই নিমিত্তে বিহিত প্ৰক্ৰিয়া অনুসাৰে অনুষ্ঠিত অনুসন্ধানৰ ভিত্তিত প্ৰতিবেদন দিয়ে যে অধ্যক্ষ বা যথাস্থিতি এনে সদস্যক এনে আধাৰত অপসাৰিত কৰা উচিত।]

---

১। মানৱ অধিকাৰ সংৰক্ষণ (সংশোধন) অধিনিয়ম,২০০৬ (২০০৬ৰ ৪৩)ৰ ধাৰা ১২(খ)ৰ দ্বাৰা অন্তঃস্থাপিত।
২। উক্ত অধিনিয়মৰ ধাৰা ১৩ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
৩। মানৱ অধিকাৰ সংৰক্ষণ (সংশোধন) অধিনিয়ম, ২০০৬ (২০০৬ৰ ৪৩)ৰ ধাৰা ১৩(গ)ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
৪। উক্ত অধিনিয়মৰ ধাৰা ১৪(ক) ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
৫। মানৱ অধিকাৰ সংৰক্ষণ (সংশোধন) অধিনিয়ম, ২০০৬ (২০০৬ৰ ৪৩)ৰ ধাৰা ১৪ (খ)ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

(২) [১][ উপধাৰা (১-ক)], ত কোনো কথা থকা স্বত্ত্বেও ৰাষ্ট্রপতিয়ে আদেশৰ দ্বাৰা, অধ্যক্ষ বা কোনো [২][ সদস্য]ৰ পদৰ পৰা অপসাৰণ কৰিব পাৰে যদিহে, অধ্যক্ষ বা যথাস্থিতি এনে [২][ সদস্য],–

(ক) দেউলীয়া বুলি ন্যায় নিৰ্ণীত হৈছে ; বা

(খ) তেওঁৰ পদাৱধিৰ ভিতৰত তেওঁৰ পদৰ কৰ্ত্তব্যৰ বাহিৰেও সবেতন নিয়োজনত নিযুক্ত থাকে ; বা

(গ) মানসিক বা শাৰীৰিক দুৰ্বলতাৰ কাৰণে তেওঁৰ পদত থাকিবলৈ অনুপযুক্ত হয় ; বা

(ঘ) বিকৃত মস্তিষ্কৰ হয় আৰু কোনো সক্ষম ন্যায়ালয়ৰ দ্বাৰা এনেদৰে ঘোষিত হৈ থাকে ; বা

(ঙ) কোনো অপৰাধৰ বাবে দোষী সাব্যস্ত আৰু কাৰাবাসৰে দণ্ডিত হয় যিটোৰ সৈতে ৰাষ্ট্রপতিৰ মতে নৈতিক ভ্রষ্টতা জড়িত আছে।

[৩][ ৰাজ্যিক আয়োগৰ অধ্যক্ষ আৰু সদস্য সকলৰ পদাৱধি।

২৪। (১) অধ্যক্ষ ৰূপে নিযুক্ত কোনো ব্যক্তিয়ে তেওঁৰ পদৰ কাৰ্য্যভাৰ গ্ৰহণ কৰা তাৰিখৰ পৰা পাঁচ বছৰ অৱধিৰ বাবে তেওঁৰ বয়স সত্তৰ বছৰ নোহোৱালৈকে পদ ধাৰণ কৰিব, যিটোৱেই আগতীয়া হয়।

(২) সদস্য ৰূপে নিযুক্ত কোনো ব্যক্তিয়ে তেওঁৰ পদৰ কাৰ্য্যভাৰ গ্ৰহণ কৰা তাৰিখৰ পৰা পাঁচ বছৰৰ অৱধিৰ বাবে পদ ধাৰণ কৰিব আৰু পাঁচ বছৰৰ আন এটা অৱধিৰ বাবে পুনৰ নিযুক্তিৰ কাৰণে যোগ্য হব ঃ

পৰন্তু কোনো সদস্যই তেওঁৰ বয়স সত্তৰ বছৰ হোৱাৰ পিছত পদ ধাৰণ নকৰিব।

(৩) কোনো অধ্যক্ষ বা সদস্যই পদ ধাৰণ কৰিবলৈ এৰিলে এখন ৰাজ্য চৰকাৰৰ অধীনত বা ভাৰত চৰকাৰৰ অধীনত পুনৰ নিয়োজনৰ বাবে অযোগ্য হব।]

কিছুমান পৰিস্থিতিত সদস্যই অধ্যক্ষ ৰূপে কাৰ্য্য কৰিব বা তেওঁৰ কাৰ্য্যসমূহ নিৰ্বহন কৰিব।

২৫। (১) মৃত্যু, পদত্যাগৰ কাৰণে বা অন্যথা অধ্যক্ষৰ পদত কোনো পদৰিক্তি হোৱাৰ ক্ষেত্ৰত ৰাজ্যপালে, অধ্যক্ষ ৰূপে কাৰ্য্য চলাবলৈ সদস্যসকলৰ এজনক এনে পদৰিক্তি পূৰণ কৰিবলৈ নতুন অধ্যক্ষৰ নিযুক্তি নিদিয়ালৈকে প্রাধিকৃত কৰিব পাৰে।

(২) যেতিয়া অধ্যক্ষ ছুটীত থকা বা অন্যথা অনুপস্থিতিৰ বাবে তেওঁৰ কৃত্যসমূহ নিৰ্বহন কৰিবলৈ অসমৰ্থ হয়, তেতিয়া সদস্যসকলৰ এনে এজনক ৰাষ্ট্রপতিৰ অধিসূচনাৰ দ্বাৰা এই নিমিত্তে প্রাধিকৃত কৰাৰ দৰে অধ্যক্ষৰ কৃত্যসমূহ, অধ্যক্ষই তেওঁৰ কৰ্ত্তব্যত পুনৰ যোগদান নকৰালৈকে নিৰ্বহন কৰিব।

[৪][ৰাজ্যিক আয়োগৰ অধ্যক্ষ আৰু সদস্যসকলৰ সেৱাৰ নিবন্ধন আৰু চৰ্ত্তাৱলী।

২৬। অধ্যক্ষ আৰু সদস্যসকলক প্রদেয় বেতন আৰু ভাত্তাসমূহ আৰু সেৱাৰ নিবন্ধন আৰু চৰ্ত্তাৱলী, ৰাজ্য চৰকাৰে বিহিত কৰা মতে এনে হব ঃ

পৰন্ত অধ্যক্ষ আৰু সদস্যসকলৰ বেতন আৰু ভাত্তাসমূহ নাইবা সেৱাৰ আন নিবন্ধন বা চৰ্ত্তাৱলী কোনোটোৱেই তেওঁৰ নিযুক্তিৰ পিছত তেওঁৰ পক্ষে অসুবিধাজনক ভাৱে পৰিবৰ্ত্তিত কৰা নহব।]

ৰাজ্যিক আয়োগৰ পদাধিকাৰী আৰু কৰ্মচাৰীবৃন্দ।

২৭। (১) ৰাজ্য চৰকাৰে নিম্নোক্তসমূহক আয়োগৰ প্ৰাপ্তিসাধ্য কৰিব –

(ক) ৰাজ্য চৰকাৰৰ সচিবৰ পদমৰ্য্যাদাৰ নিম্ন নোহোৱা এজন পদাধিকাৰী যিজন ৰাজ্যিক আয়োগৰ সদস্য হব, আৰু

(খ) ৰাজ্যিক আয়োগৰ কৃত্যসমূহৰ দক্ষতাপূৰ্ণ সম্পাদনৰ বাবে আৱশ্যক হোৱা দৰে আৰক্ষী মহা নিৰ্দেশকৰ পদমৰ্য্যাদাৰ নিম্ন নোহোৱা কোনো পদাধিকাৰীৰ অধীনত এনে আৰক্ষী আৰু তদন্তকাৰী কৰ্মচাৰী বৃন্দ আৰু এনে আন পদাধিকাৰী আৰু কৰ্মচাৰী বৃন্দ।

(২) ৰাজ্য চৰকাৰৰ দ্বাৰা এই নিমিত্তে প্ৰণীত হোৱা নিয়মাৱলী সাপেক্ষে, ৰাজ্যিক আয়োগে আৱশ্যক বিবেচনা কৰা মতে এনে আন প্ৰশাসনীয়, কাৰিকৰী আৰু বিজ্ঞান সম্বন্ধীয় কৰ্মচাৰীবৃন্দক নিযুক্ত কৰিব পাৰে।

---

১। মানৱ অধিকাৰ সংৰক্ষণ (সংশোধন) অধিনিয়ম, ২০০৬(২০০৬ৰ ৪৩)ৰ ধাৰা ১৪(গ)(ক)ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
২। মানৱ অধিকাৰ সংৰক্ষণ (সংশোধন) অধিনিয়ম, ২০০৬(২০০৬ৰ ৪৩)ৰ ধাৰা ১৪(গ)(খ)ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
৩। উক্ত অধিনিয়মৰ ধাৰা ১৫ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
৪। মানৱ অধিকাৰ সংৰক্ষণ (সংশোধন) অধিনিয়ম, ২০০৬ (২০০৬ৰ ৪৩) ৰ ধাৰা ১৬ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

(৩) উপধাৰা (২)ৰ অধীনত নিযুক্ত পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দৰ বেতন, ভাত্তা আৰু সেৱাৰ চৰ্ত্তাৱলী ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰিব পৰা মতে এনে ধৰণৰ হ'ব ।

ৰাজ্যিক আয়োগৰ বাৰ্ষিক আৰু বিশেষ প্ৰতিবেদনসমূহ।

২৮। (১) ৰাজ্যিক আয়োগে ৰাজ্য চৰকাৰক এটা বাৰ্ষিক প্ৰতিবেদন দাখিল কৰিব আৰু যিকোনো সময়তে কোনো বিষয়ৰ ওপৰত বিশেষ প্ৰতিবেদন দাখিল কৰিব পাৰিব যিটো ইয়াৰ ৰায় মতে, এনে জৰুৰী বা গুৰুত্বপূৰ্ণ হয় যে ইয়াক বাৰ্ষিক প্ৰতিবেদন দাখিলকৰণলৈকে বিলম্বিত কৰা উচিত নহব।

(২) ৰাজ্য চৰকাৰে ৰাজ্যিক আয়োগৰ চুপাৰিছসমূহৰ ভিত্তিত লোৱা বা লবলৈ প্ৰস্তাৱিত কাৰ্য্য ব্যৱস্থাৰ এখন স্মাৰকলিপি আৰু চুপাৰিছসমূহ অগ্ৰহণৰ কাৰণসমূহ যদি কিবা থাকে, সেই বিলাকৰ লগত, আয়োগৰ বাৰ্ষিক আৰু বিশেষ প্ৰতিবেদন ৰাজ্যিক বিধান মণ্ডলৰ প্ৰত্যেক সদনৰ সমক্ষত,য'ত দুটা সদনেৰে গঠিত হয়, বা য'ত এখন সদনেৰে গঠিত বিধান মণ্ডল থাকে সেই সদনৰ সমক্ষত উপস্থাপন কৰাব।

ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ লগত সম্পৰ্কিত কিছুমান উপবন্ধ ৰাজ্যিক আয়োগৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হব।

২৯। ধাৰা ৯,১০,১২,১৩,১৪,১৫,১৬,১৭ আৰু ১৮ৰ উপবন্ধসমূহ ৰাজ্যিক আয়োগৰ ক্ষেত্ৰত প্ৰয়োগ হব আৰু নিম্নলিখিত ৰূপান্তৰ সাপেক্ষে, প্ৰভাৱী হব, অৰ্থাৎ –

(ক) ''আয়োগ'' লৈ নিৰ্দেশসমূহ ''ৰাজ্যিক আয়োগ'' লৈ নিৰ্দেশ ৰূপে অৰ্থ কৰা হব ;

(খ) ধাৰা ১০ৰ উপধাৰা (৩)ত ''মহাসচিব'' শব্দৰ বাবে ''সচিব'' শব্দ প্ৰতিষ্ঠাপিত কৰা হব ;

(গ) ধাৰা ১২ৰ খণ্ড (চ) লোপ কৰা হব ;

(ঘ) ধাৰা ১৭ৰ খণ্ড (ঝ)ত ''কেন্দ্ৰীয় চৰকাৰ বা কোনো'' শব্দসমূহলোপ কৰা হব।

## অধ্যায় VI
## মানৱ অধিকাৰ ন্যায়ালয়সমূহ

মানৱ অধিকাৰ ন্যায়ালয়সমূহ।

৩০। মানৱ অধিকাৰ লঙ্ঘণৰ পৰা উদ্ভৱ হোৱা অপৰাধসমূহৰ দ্ৰুত বিচাৰৰ ব্যৱস্থা কৰাৰ প্ৰয়োজনাৰ্থে, ৰাজ্য চৰকাৰে, উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ সহমতিসহ অধিসূচনাৰ দ্বাৰা প্ৰত্যেক জিলাৰ বাবে চেছন ন্যায়ালয়ক, উক্ত অপৰাধসমূহৰ বিচাৰ কৰিবলৈ মানৱ অধিকাৰ ন্যায়ালয় ৰূপে বিনিৰ্দিষ্ট কৰিব ঃ

পৰন্তু এই ধাৰাত থকা একোৱেই প্ৰয়োগ নহব যদি –

(ক) কোনো চেছন ন্যায়ালয়ক ইতিমধ্যেই বিশেষ ন্যায়ালয় ৰূপে বিনিৰ্দিষ্ট কৰা হয় ; বা

(খ) কোনো বিশেষ ন্যায়ালয় তৎসময় বলবৎ থকা কোনো আন বিধিৰ অধীনত এনে অপৰাধসমূহৰ বাবে ইতিমধ্যে গঠিত হয়।

বিশেষ লোক অভিযোজক।

৩১। প্ৰত্যেক মানৱ অধিকাৰ ন্যায়ালয়ৰ বাবে, ৰাজ্য চৰকাৰে, অধিসূচনাৰ দ্বাৰা, সেই ন্যায়ালয়ৰ মোকৰ্দমাসমূহৰ পৰিচালনাৰ প্ৰয়োজনাৰ্থে এজন বিশেষ লোক অভিযোজক বিনিৰ্দিষ্ট বা এজন অধিবক্তা নিযুক্ত কৰিব যিজন সেই ন্যায়ালয়ত মোকৰ্দ্দমাবোৰ পৰিচালনাৰ প্ৰয়োজনাৰ্থে বিশেষ অভিযোজক ৰূপে সাত বছৰৰ কম নোহোৱাকৈ অধিবক্তা ৰূপে আইন ব্যৱসায় কৰি আছে।

## অধ্যায় VIII
## বিত্ত, হিচাপ আৰু হিচাপ পৰীক্ষা

কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অনুদান।

৩২। (১) কেন্দ্ৰীয় চৰকাৰে, এই নিমিত্তে বিধিৰ দ্বাৰা সংসদৰ দ্বাৰা কৰা সম্যক বিনিয়োজনৰ পিছত, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে উপযোগৰ বাবে, কেন্দ্ৰীয় চৰকাৰে উচিত ভবা মতে এনে পৰিমাণৰ ধন অনুদান হিচাবে আয়োগক প্ৰদান কৰিব।

## মানৱ অধিকাৰ সংৰক্ষণ অধিনিয়ম, ১৯৯৩

(২) আয়োগে, এই অধিনিয়মৰ অধীনত কৃত্যসমূহ সম্পাদনৰ বাবে ই উচিত বুলি ভবা মতে এনে পৰিমাণৰ ধন খৰচ কৰিব পাৰিব আৰু এনে পৰিমাণৰ ধন উপধাৰা (১)ত নির্দেশিত অনুদানৰ পৰা প্ৰদেয় ব্যয় হিচাবে বিবেচিত হব।

ৰাজ্য চৰকাৰৰ দ্বাৰা অনুদান।

৩৩। (১) ৰাজ্য চৰকাৰে, এই নিমিত্তে বিধিৰ দ্বাৰা বিধান মণ্ডলৰ দ্বাৰা কৰা সম্যক বিনিয়োজনৰ পিচত, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে উপযোগৰ বাবে ৰাজ্য চৰকাৰে উচিত বুলি ভবা মতে এনে পৰিমাণৰ ধন অনুদান হিচাবে আয়োগক প্ৰদান কৰিব।

(২) ৰাজ্যিক আয়োগে অধ্যায় ৫ৰ অধীনত কৃত্যসমূহ সম্পাদনৰ বাবে ই উচিত বুলি ভবা মতে এনে পৰিমাণৰ ধন খৰচ কৰিব পাৰিব, আৰু এনে পৰিমাণৰ ধন উপধাৰা (১)ত নির্দেশিত অনুদানৰ পৰা প্ৰদেয় হিচাবে বিবেচিত হব।

হিচাপ আৰু হিচাপ পৰীক্ষা।

৩৪। (১) আয়োগে উচিত হিচাপ পত্ৰ আৰু আন প্ৰাসঙ্গিক অভিলেখ ৰাখিব আৰু ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ সৈতে পৰামৰ্শ কৰি কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা মতে এনে প্ৰপত্ৰত হিচাপ পত্ৰৰ এটা বাৰ্ষিক বিৱৰণ প্ৰস্তুত কৰিব।

(২) আয়োগৰ হিচাপ পত্ৰ তেওঁৰ দ্বাৰা বিনিৰ্দিষ্ট কৰা মতে এনে বিৰতিত নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ দ্বাৰা পৰীক্ষিত হব আৰু এনে হিচাপ পৰীক্ষাৰ সম্পৰ্কত খৰচ হোৱা ব্যয় নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকক আয়োগৰ দ্বাৰা প্ৰদেয় হব।

(৩) নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক আৰু আয়োগৰ হিচাপ পত্ৰ পৰীক্ষাৰ সম্পৰ্কত তেওঁৰ দ্বাৰা এই অধিনিয়মৰ অধীনত নিযুক্ত কোনো ব্যক্তিৰ এনে হিচাপ পৰীক্ষাৰ সম্পৰ্কত একেই অধিকাৰ আৰু বিশেষাধিকাৰ আৰু প্ৰাধিকাৰ থাকিব যিদৰে নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ সাধাৰণতে চৰকাৰী হিচাপসমূহৰ হিচাপ পৰীক্ষা সম্পৰ্কে থাকে আৰু বিশেষতঃ বহী, হিচাপ, সম্পৰ্কিত প্ৰমাণক আৰু আন দস্তাবেজসমূহ আৰু কাকত পত্ৰসমূহ উপস্থাপনৰ দাবী কৰিবলৈ আৰু আয়োগৰ কোনো কাৰ্য্যালয় পৰিদৰ্শন কৰিবলৈ অধিকাৰ থাকিব।

(৪) নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ বা এই নিমিত্তে তেওঁৰ দ্বাৰা নিযুক্ত আন কোনো ব্যক্তিৰ দ্বাৰা যথা প্ৰমাণিত আয়োগৰ হিচাপ পত্ৰ ইয়াৰ সৈতে তাৰ হিচাপ পৰীক্ষাৰ প্ৰতিবেদন সহ একেলগে, আয়োগৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰলৈ বছৰি প্ৰেৰণ কৰা হব আৰু কেন্দ্ৰীয় চৰকাৰে ইয়াৰ প্ৰাপ্তিৰ পিছত যথা সম্ভৱ শীঘ্ৰে হিচাপৰ প্ৰতিবেদন প্ৰত্যেক সদনৰ সমক্ষত উত্থাপন কৰাব।

ৰাজ্যিক আয়োগৰ হিচাপ আৰু হিচাপ পৰীক্ষা।

৩৫। (১) ৰাজ্যিক আয়োগে উচিত হিচাপ পত্ৰ আৰু আন প্ৰাসঙ্গিক অভিলেখ ৰাখিব আৰু ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ সৈতে পৰামৰ্শ কৰি ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰা মতে এনে প্ৰপত্ৰত হিচাপ পত্ৰৰ এটা বাৰ্ষিক বিৱৰণ প্ৰস্তুত কৰিব।

(২) ৰাজ্যিক আয়োগৰ হিচাপ পত্ৰ তেওঁৰ দ্বাৰা বিনিৰ্দিষ্ট কৰা মতে এনে বিৰতিত নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ দ্বাৰা পৰীক্ষিত আৰু এনে হিচাপ পৰীক্ষাৰ সম্পৰ্কত খৰচ হোৱা ব্যয় নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকক ৰাজ্যিক আয়োগৰ দ্বাৰা প্ৰদেয় হব।

(৩) নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক আৰু আয়োগৰ হিচাপ পত্ৰ পৰীক্ষাৰ সম্পৰ্কত তেওঁৰ দ্বাৰা এই অধিনিয়মৰ অধীনত নিযুক্ত কোনো ব্যক্তিৰ এনে হিচাপ পৰীক্ষাৰ সম্পৰ্কত একেই অধিকাৰ আৰু বিশেষাধিকাৰ আৰু প্ৰাধিকাৰ থাকিব যিদৰে নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ সাধাৰণতে চৰকাৰী হিচাপ পত্ৰ সম্পৰ্কে থাকে আৰু বিশেষতঃ বহী, হিচাপসমূহৰ হিচাপ পৰীক্ষা সম্পৰ্কিত প্ৰমাণক আন দস্তাবেজসমূহ আৰু কাকত পত্ৰসমূহ উপস্থাপনৰ দাবী কৰিবলৈ আৰু আয়োগৰ কোনো কাৰ্য্যালয় পৰিদৰ্শন কৰিবলৈ অধিকাৰ থাকিব।

(৪) নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ বা এই নিমিত্তে তেওঁৰ দ্বাৰা নিযুক্ত আন কোনো ব্যক্তিৰ দ্বাৰা যথা প্ৰমাণিত আয়োগৰ হিচাপ পত্ৰ ইয়াৰ সৈতে হিচাপ পৰীক্ষাৰ প্ৰতিবেদন সহ একেলগে, আয়োগৰ দ্বাৰা ৰাজ্য চৰকাৰলৈ বছৰি প্ৰেৰণ কৰা হব আৰু ৰাজ্য চৰকাৰে ইয়াক প্ৰাপ্তিৰ পিচত যথা সম্ভৱ শীঘ্ৰে হিচাপ পৰীক্ষাৰ প্ৰতিবেদন ৰাজ্যিক বিধান মণ্ডলৰ সমক্ষত উত্থাপন কৰাব।

## অধ্যায় IX

## বিবিধ

আয়োগৰ অধিকাৰিতাৰ অধীন নোহোৱা বিষয়সমূহ।

৩৬। (১) আয়োগে এনে কোনো বিষয় সম্পৰ্কে অনুসন্ধান নকৰিব যিটো তৎসময় বলবৎ থকা কোনো বিধিৰ অধীনত সম্যক ৰূপে গঠিত ৰাজ্যিক আয়োগ বা কোনো আন আয়োগৰ সমক্ষত লম্বিত থাকে।

(২) কোনো আয়োগ বা ৰাজ্যিক আয়োগে এনে তাৰিখৰ পৰা এবছৰৰ অৱসানৰ পিছত কোনো বিষয়ৰ ওপৰত অনুসন্ধান নকৰিব যিটো তাৰিখত মানৱ অধিকাৰ লঙ্ঘন গঠিত কৰা কাৰ্য্য সংঘটিত কৰা হৈছে বুলি অভিকথিত কৰা হয়।

বিশেষ তদন্তকাৰী দলৰ গঠন।

৩৭। তৎসময় বলবৎ থকা আন কোনো বিধিত কোনো কথা থকা স্বত্বেও য'ত চৰকাৰে এনে কৰিবলৈ আৱশ্যক বুলি বিবেচনা কৰে, মানৱ অধিকাৰ লঙ্ঘনৰ পৰা উদ্ভৱ হোৱা অপৰাধসমূহৰ অনুসন্ধান আৰু অভিযোজনৰ প্ৰয়োজনাৰ্থে ই আৱশ্যক বিবেচনা কৰা মতে এনে আৰক্ষী পদাধিকাৰীসকলেৰে গঠিত এটা বা অধিক বিশেষ তদন্তকাৰী বাহিনী গঠন কৰিব পাৰে।

সদ্ বিশ্বাসত কৰা কাৰ্য্যৰ সংৰক্ষণ।

৩৮। কোনো বাদ বা আন বিধিক কাৰ্য্যবাহী কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ, আয়োগ, ৰাজ্যিক আয়োগ বা তাৰ কোনো সদস্যৰ বা এই অধিনিয়ম বা কোনো নিয়মাৱলী বা তাৰ অধীনত কৰা কোনো আদেশ অনুসাৰে সদ্ বিশ্বাসত কৃত বা কৃত বুলি অভিপ্ৰেত কোনো কাৰ্য্য সম্পৰ্কত বা কোনো প্ৰতিবেদন, কাকত পত্ৰ বা কাৰ্য্যবাহীসমূহ কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ, আয়োগ বা ৰাজ্যিক আয়োগৰ প্ৰাধিকাৰীৰ দ্বাৰা বা অধীনত প্ৰকাশনৰ সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ, আয়োগ বা ৰাজ্যিক আয়োগৰ নিৰ্দেশৰ অধীনত কাৰ্য্য কৰা কোনো ব্যক্তিৰ বিৰুদ্ধে নচলিব।

সদস্য বা পদাধিকাৰীসকল লোকসেৱক হব। ১৮৬০ৰ ৪৫

৩৯। এই অধিনিয়মৰ অধীনত কৃত্য কৰিবলৈ আয়োগ, ৰাজ্যিক আয়োগৰ প্ৰত্যেক সদস্য আৰু আয়োগ বা ৰাজ্যিক আয়োগৰ দ্বাৰা নিযুক্ত বা প্ৰাধিকৃত প্ৰত্যেক পদাধিকাৰীক ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ২১ৰ অৰ্থৰ ভিতৰত লোকসেৱক বুলি গণ্য কৰা হব।

কেন্দ্ৰীয় চৰকাৰৰ নিয়মাৱলী প্ৰণয়ন কৰাৰ ক্ষমতা।

৪০। (১) কেন্দ্ৰীয় চৰকাৰে, অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ উপবন্ধসমূহ কাৰ্য্যকৰী কৰিবলৈ নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে নিয়মাৱলীয়ে নিম্নলিখিত বিষয়সমূহৰ সকলো বা কোনো এটাৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ-

(ক) ধাৰা ৮ৰ অধীনত [1][অধ্যক্ষ আৰু সদস্য সকল] ৰ বেতন আৰু ভাত্তাসমূহ আৰু সেৱাৰ নিবন্ধন আৰু চৰ্ত্তাৱলী ;

(খ) যি চৰ্ত্তসমূহৰ সাপেক্ষে আন প্ৰশাসনীয়, কাৰিকৰী আৰু বিজ্ঞান সম্বন্ধীয় কৰ্মচাৰীবৃন্দক নিযুক্ত কৰিব পাৰি আৰু ধাৰা ১১ৰ উপধাৰা (৩)ৰ অধীনত পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দৰ বেতন আৰু ভাত্তাসমূহ;

(গ) ধাৰা ১৩ৰ উপধাৰা (১)ৰ খণ্ড (চ)ৰ অধীনত বিহিত বুলি অপেক্ষিত চিভিল ন্যায়ালয়ৰ কোনো আন ক্ষমতা ;

(ঘ) যি প্ৰ-পত্ৰত হিচাপৰ বাৰ্ষিক বিৱৰণ ধাৰা ৩৪ৰ উপধাৰা (১)ৰ অধীনত আয়োগৰ দ্বাৰা প্ৰস্তুত কৰিব লাগিব ; আৰু

(ঙ) আন কোনো বিষয় যিটো বিহিত হ'ব লাগে বা হব পাৰে।

(৩) এই অধিনিয়মৰ অধীনত প্ৰণীত প্ৰত্যেক নিয়ম ইয়াক প্ৰণয়ন কৰাৰ পিচত যথা সম্ভৱ শীঘ্ৰে অধিবেশন চলি থকা সময়ত যি এখন অধিবেশন বা দুখন বা ততোধিক ক্ৰমাগত অধিবেশনৰে গঠিত হব পৰা মুঠ ত্ৰিশ দিন কালৰ বাবে সংসদৰ প্ৰত্যেক সদনৰ সমক্ষত উপস্থাপন কৰিব লাগিব আৰু যদিহে উপৰোক্ত অধিবেশনৰ অব্যৱহিত পৰৱৰ্ত্তী অধিবেশন বা ক্ৰমাগত অধিবেশনসমূহৰ অৱসানৰ পূৰ্বে, উভয় সদনে নিয়মত কোনো সাল-সলনি কৰিবলৈ সন্মত হয় বা উভয় সদনে সন্মত হয় যে নিয়ম প্ৰণয়ন কৰিব নালাগে তেন্তে তাৰ পিছত নিয়ম যথাস্থিতি, এনে সাল-সলনি

---

১। মানৱ অধিকাৰ সংৰক্ষণ (সংশোধন) অধিনিয়ম, ২০০৬ (২০০৬ৰ ৪৩)ৰ ধাৰা ১৭ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

ৰূপত প্ৰভাৱী হ'ব বা প্ৰভাৱহীন হ'ব; সেয়ে হ'লেও, এনে সাল-সলনি বা ৰদ্‌কৰণে সেই নিয়মৰ অধীনত পূৰ্ব্বেকৃত কোনো কাৰ্য্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলাব।

[1][ভূতলক্ষী ৰূপত নিয়মাৱলী প্ৰণয়ন কৰাৰ ক্ষমতা।

৪০ক। ধাৰা ৪০ৰ উপধাৰা (২)ৰ খণ্ড (খ)ৰ অধীনত নিয়মাৱলী প্ৰণয়ন কৰাৰ ক্ষমতাই এই অধিনিয়মখন যি তাৰিখত ৰাষ্ট্ৰপতিৰ সম্মতি প্ৰাপ্ত হৈছিল সেই তাৰিখৰ পূৰ্ব্বৰ নোহোৱা এটা তাৰিখৰ পৰা এনে নিয়মাৱলী বা ইয়াৰ যিকোনোটো ভূতলক্ষী ৰূপে প্ৰণয়ন কৰাৰ ক্ষমতাকো অন্তৰ্ভুক্ত কৰিব, কিন্তু এনে নিয়ম প্ৰযোজ্য হ'ব পৰা কোনো ব্যক্তিৰ স্বাৰ্থত যাতে প্ৰতিকূল প্ৰভাৱ নেপেলায় তাৰ বাবে যিকোনো তেনে নিয়মত ভূতলক্ষী প্ৰভাৱ প্ৰদান কৰা নহ'ব।]

[2][আয়োগৰ বিনিয়মাৱলী প্ৰণয়ন কৰাৰ ক্ষমতা।

৪০খ(১) এই অধিনিয়মৰ উপবন্ধাৱলী আৰু তাৰ অধীনত প্ৰণীত নিয়মাৱলীৰ সাপেক্ষে আয়োগে কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব অনুমোদনসহ, অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ উপবন্ধ সম্পন্ন কৰিবলৈ বিনিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, এনে বিনিয়মাৱলীয়ে নিম্নলিখিত বিষয় সমূহৰ সকলো বা যিকোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে ঃ-

(ক) ধাৰা ১০ৰ উপধাৰা (২)ৰ অধীনত আয়োগৰ দ্বাৰা অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়া ;

(খ) ৰাজ্যিক আয়োগৰ দ্বাৰা প্ৰদান কৰিবলগীয়া প্ৰবিৱৰণ আৰু পৰিসংখ্যা ;

(গ) বিনিয়মাৱলীৰ দ্বাৰা বিনিৰ্দিষ্ট কৰা বা কৰিব পৰা আন কোনো বিষয়।

(৩) এই অধিনিয়মৰ অধীনত আয়োগৰ দ্বাৰা প্ৰণীত প্ৰত্যেক বিনিয়মাৱলী ইয়াক প্ৰণয়ন কৰাৰ পিছত যথাশীঘ্ৰে অধিৱেশন চলি থকা সময়ত যি এখন অধিৱেশন বা দুখন বা ততোধিক ক্ৰমাগত অধিৱেশনেৰে গঠিত হ'ব পৰা মুঠ ত্ৰিশ দিন কালৰ বাবে সংসদৰ প্ৰত্যেক সদনৰ সমক্ষত উত্থাপিত কৰিব লাগিব আৰু যদিহে উপৰোক্ত অধিৱেশনৰ অব্যৱহিত পৰৱৰ্ত্তী অধিৱেশন বা ক্ৰমাগত অধিৱেশনসমূহৰ অৱসানৰ পূৰ্বে, উভয় সদনে বিনিয়মত কোনো সাল সলনি কৰিবলৈ সন্মত হয় বা উভয় সদনে সন্মত হয় যে বিনিয়ম প্ৰণয়ন কৰিব নালাগে, তেন্তে তাৰ পিছত বিনিয়ম যথাস্থিতি, এনে সাল-সলনি ৰূপত প্ৰভাৱী হ'ব বা প্ৰভাৱহীন হ'ব, সেয়ে হ'লেও এনে সাল-সলনি বা ৰদ্‌কৰণে সেই বিনিয়মৰ অধীনত পূৰ্বেকৃত কোনো কাৰ্য্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলাব।]

ৰাজ্য চৰকাৰৰ নিয়মাৱলী প্ৰণয়ন কৰাৰ ক্ষমতা।

৪১। (১) ৰাজ্য চৰকাৰে অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ উপবন্ধসমূহ কাৰ্য্যকৰী কৰিবলৈ নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱালৈকে এনে নিয়মাৱলীয়ে নিম্নলিখিত বিষয়সমূহৰ সকলো বা কোনো এটাৰ বাবে উপবন্ধিত কৰিব পাৰে, অৰ্থাৎ-

(ক) ধাৰা ২৬ৰ অধীনত [3][অধ্যক্ষ আৰু সদস্য সকল]ৰ বেতন আৰু ভাত্তাসমূহ আৰু সেৱাৰ আন নিবন্ধন আৰু চৰ্ত্তাৱলী ;

(খ) যি চৰ্ত্তাৱলী সাপেক্ষে আন প্ৰশাসনীয়, কাৰিকৰী আৰু বিজ্ঞান সম্বন্ধীয় কৰ্ম্মচাৰীবৃন্দক ৰাজ্যিক আয়োগৰ দ্বাৰা নিযুক্ত কৰিব পাৰি, আৰু ধাৰা ২৭ৰ উপধাৰা (৩)ৰ অধীনত পদাধিকাৰী আৰু আন কৰ্ম্মচাৰী বৃন্দৰ বেতন আৰু ভাত্তাসমূহ ;

(গ) যি প্ৰ-পত্ৰত হিচাপৰ বাৰ্ষিক বিৱৰণ ধাৰা ৩৫ৰ উপধাৰা (১)ৰ অধীনত প্ৰস্তুত কৰিব লাগিব।

---

১। ২০০০ চনৰ ৪৯ নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত।

২। মানৱ অধিকাৰ সংৰক্ষণ (সংশোধন) অধিনিয়ম, ২০০৬ (২০০৬ৰ ৪৩)ৰ ধাৰা ১৮ৰ দ্বাৰা অন্তঃস্থাপিত।

৩। একে অধিনিয়মৰ ধাৰা ১৯ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

(৩) এই ধাৰাৰ অধীনত ৰাজ্য চৰকাৰৰ দ্বাৰা প্ৰণীত প্ৰত্যেক নিয়ম, ইয়াক প্ৰণয়ন কৰাৰ পিচত যথা শীঘ্ৰে ৰাজ্যিক বিধানমণ্ডলৰ প্ৰত্যেক সদনৰ সমক্ষত য'ত ই দুখন সদনৰে গঠিত হয় বা য'ত এনে বিধান মণ্ডল এখন সদনৰে গঠিত সেই সদনৰ সমক্ষত উত্থাপিত কৰা হব।

অসুবিধাসমূহৰ দূৰীকৰণৰ ক্ষমতা।

৪২। (১) এই অধিনিয়মৰ উপবন্ধসমূহ প্ৰভাৱী হোৱাত যদি কোনো অসুবিধাৰ উদ্ভৱ হয়, তেতিয়া কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত আদেশৰ দ্বাৰা, এই অধিনিয়মৰ উপবন্ধসমূহৰ সৈতে অসংগত নোহোৱা এনে উপবন্ধসমূহ প্ৰণয়ন কৰিব পাৰে যিদৰে অসুবিধাসমূহৰ দূৰীকৰণৰ বাবে আৱশ্যকীয় বা সমীচিন বুলি প্ৰতীত হয়ঃ

পৰন্তু এনে আদেশ এই অধিনিয়মৰ প্ৰাৰম্ভৰ তাৰিখৰ পৰা দুবছৰৰ অৱসানৰ পিচত কৰা নহব।

(২) এই ধাৰাৰ অধীনত প্ৰণীত প্ৰত্যেক আদেশ, ইয়াক প্ৰণয়ন কৰাৰ পিচত যথা শীঘ্ৰে প্ৰত্যেক সদনৰ সমক্ষত উত্থাপিত কৰা হব।

নিৰসন আৰু ব্যাবৃত্তিসমূহ।

৪৩। (১) মানৱ অধিকাৰ সংৰক্ষণ অধ্যাদেশ, ১৯৯৩ ইয়াৰ দ্বাৰা নিৰসিত কৰা হ'ল। ১৯৯৩ৰ ৩০ অধ্যাদেশ

(২) এনে নিৰসন স্বত্বেও উক্ত অধ্যাদেশৰ অধীনত কৃত বা লোৱা কোনো কাৰ্য্য এই ব্যৱস্থাক অধিনিয়মৰ তদনুৰূপ উপবন্ধসমূহৰ অধীনত কৃত হৈছে বা লোৱা হৈছে বুলি গণ্য কৰা হব।